NEWZ NOW

সংখ্যা ৩১ | মঙলবাৰ, ২৪ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

মনোৰঞ্জন

# 'যৌনতাই শ্ৰেষ্ঠ ব্যায়াম নহয় জানো ?'; অভিনেতা অক্ষয় কুমাৰে ক'ত আৰু কিয় কৰিলে এই মন্তব্য ?

'কফি উইথ কৰণ'ৰ নৱম ছিজনত একেলগে উপস্থিত হ'ব অক্ষয় কুমাৰ আৰু ৰবি কিষাণ। অনুষ্ঠানটোৰ প্ৰ'ম'ত দুয়োগৰাকী তাৰকাৰ ৰসাল মন্তব্যই ব্যাপক চৰ্চা লাভ কৰিছে।



NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, নিশা ১১:৩৯

নতুন দিল্লী, ২৩ নৱেম্বৰ: জনপ্ৰিয় চেলিব্ৰিটী টক শ্ব' 'কফি উইথ কৰণ'ৰ নৱম ছিজনত এইবাৰ একেলগে দেখা যাব বলীউড তাৰকা অক্ষয় কুমাৰ আৰু অভিনেতা তথা ৰাজনীতিক ৰবি কিষাণক। অনুষ্ঠানটোৰ নতুন প্ৰ'ম' মুকলি হোৱাৰ পাছতে দুয়োগৰাকী অভিনেতাৰ ৰসাল কথোপকথন আৰু ধেমেলীয়া মন্তব্যক লৈ সামাজিক মাধ্যমত ব্যাপক চৰ্চা আৰম্ভ হৈছে। বিশেষকৈ যৌনতা আৰু শৰীৰচৰ্চাক লৈ অক্ষয় কুমাৰে কৰা এক মন্তব্যই দৰ্শকৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5707

অসম

## ঈদৰ বন্ধৰ দিনাও অসমত মেট্ৰিক পৰীক্ষা! শিক্ষা পৰিষদৰ মেট্ৰিক পৰীক্ষাৰ সময়সূচীক লৈ বিতৰ্ক



অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ (প্ৰথম বিভাগ) ২০২৭ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সময়সূচীক লৈ বিতৰ্কৰ সৃষ্টি হৈছে।
পঢ়ক: https://newznow.in/news/5892

অসম

## তিনিচুকীয়াত অইল ইণ্ডিয়া লিমিটেডৰ সহযোগত স্থাপন হ'ব আইটিআই ক্লাষ্টাৰ



ৰাজ্যৰ ঔদ্যোগিক প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি তিনিচুকীয়াত অইল ইণ্ডিয়া লিমিটেডৰ সহযোগত এটা বিশেষ আইটিআই ক্লাষ্টাৰ স্থাপন কৰা হ'ব।
পঢ়ক: https://newznow.in/news/5732

দেশ

## ভয়ংকৰ পথ দুৰ্ঘটনা! ৰৈ থকা স্কুল বাছত ট্ৰাকৰ খুন্দা, ৪ শিশুৰ মৃত্যু, আহত ৩২



কান্নৌজ, ২৪ নৱেম্বৰ: উত্তৰ প্ৰদেশৰ কান্নৌজ জিলাৰ লক্ষ্ণৌ-আগ্ৰা এক্সপ্ৰেছৱেত মঙলবাৰে পুৱা সংঘটিত এক শোকাৱহ পথ দুৰ্ঘটনাত চাৰিটি শিশুৰ প্ৰাণহানি হয়।
পঢ়ক: https://newznow.in/news/5804

ক্ৰীড়া

## ৫২টা বলত দ্বিশতক বৈভৱৰ! List A-ত দ্ৰুততম শতক-দ্বিশতকৰ অভিলেখ



মাত্ৰ ৫২টা বলত দ্বিশতক! ক্ৰিকেট বিশ্বক স্তম্ভিত কৰি List A ক্ৰিকেটত নতুন বিশ্ব অভিলেখ গঢ়িলে ভাৰতৰ ১৫ বছৰীয়া যুৱ ক্ৰিকেটাৰ বৈভৱ সূৰ্যবংশীয়ে।
পঢ়ক: https://newznow.in/news/5953

## ভিতৰৰ পাতত

দেশ: হত্যা কৰিবলৈকে দেউতাৰ নিৰাপত্তা আঁ...

অসম: কোকৰাঝাৰত নৈশভোজৰ মাজতে দুই জ্যেষ্...

দেশ: বাংলাদেশত সন্ধান ওলাল নিৰুদ্দেশ BS...

অসম: তেজপুৰ-বাইহাটা চাৰিলেন পথৰ অধিগ্ৰহ...

দেশ

## হত্যা কৰিবলৈকে দেউতাৰ নিৰাপত্তা আঁতৰোৱা হৈছিল: ৰাজীৱ গান্ধীৰ মৃত্যুক লৈ ৰাহুল গান্ধীৰ বিস্ফোৰক অভিযোগ

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪৬



নতুন দিল্লী, ২৪ নৱেম্বৰ: প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ নিৰাপত্তা প্ৰত্যাহাৰৰ বিষয়টোক লৈ এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে। তেওঁ দাবী কৰা মতে, ৰাজীৱ গান্ধীক হত্যা কৰিব পৰাকৈয়ে তেওঁৰ নিৰাপত্তা ইচ্ছাকৃতভাৱে আঁতৰাই দিয়া হৈছিল।

মাতৃ তথা জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীৰ স্মৃতিগ্ৰন্থ 'Belonging: A Journey of Love' সম্পৰ্কে অনুষ্ঠিত এক বাৰ্তালাপত এই বিস্ফোৰক মন্তব্য কৰে ৰাহুল গান্ধীয়ে। এই আলোচনাত কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধীও উপস্থিত আছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5814

দেশ

## বাংলাদেশত সন্ধান ওলাল নিৰুদ্দেশ BSF জোৱানৰ! জীৱন্তে উদ্ধাৰ BGBৰ

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, আবেলি ৪:৩৩



কাছাৰ: ভাৰত-বাংলাদেশ সীমান্তৰ বৰাক নদীত সন্ধানহীন হোৱা সীমান্ত সুৰক্ষা বাহিনী অৰ্থাৎ বিএছএফৰ জোৱান কে. বেনুৰ সন্ধান লাভ কৰা হৈছে। ওচৰ-চুবুৰীয়া বাংলাদেশৰ আমলশিদ গাঁৱৰ পৰা বৰ্ডাৰ গার্ড বাংলাদেশে (বিজিবি) জোৱানজনক জীৱন্তে উদ্ধাৰ কৰে। জোৱানজন জীৱন্তে উদ্ধাৰ হোৱাৰ বাতৰিয়ে বিএছএফ কৰ্তৃপক্ষৰ লগতে তেওঁৰ পৰিয়ালক সকাহ দিছে।

কাছাৰ জিলাৰ কাটিগড়া অঞ্চলৰ হৰিনগৰ সীমান্ত চকীত কৰ্তব্যৰত আছিল কনিষ্টবল কে. বেনু আৰু হেড কনিষ্টবল জিতেন্দ্ৰ যাদৱ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5905

অসম

## কোকৰাঝাৰত নৈশভোজৰ মাজতে দুই জ্যেষ্ঠ আৰক্ষী বিষয়াৰ সংঘাত

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫৬



কোকৰাঝাৰ, ২৫ নৱেম্বৰ: কোকৰাঝাৰ জিলাৰ শৰাইখোলা বেটেলিয়নত আয়োজিত এক নৈশভোজৰ অনুষ্ঠানত দুগৰাকী জ্যেষ্ঠ ভাৰতীয় আৰক্ষী সেৱা চমুকৈ আইপিএছ বিষয়াৰ মাজত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ অভিযোগ উত্থাপন হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5884

অসম

## তেজপুৰ-বাইহাটা চাৰিলেন পথৰ অধিগ্ৰহণৰ ভূমিত নতুন নিৰ্মাণ নিষিদ্ধ, প্ৰশাসনৰ কঠোৰ নিৰ্দেশনা

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫১



তেজপুৰ-বাইহাটা চাৰিআলি চাৰিলেনযুক্ত পথ প্ৰকল্পৰ বাবে অধিগ্ৰহণ প্ৰক্ৰিয়াৰ অধীনত থকা ভূমিত নতুনকৈ নিৰ্মাণ কাৰ্য চলোৱাক লৈ কঠোৰ স্থিতি গ্ৰহণ কৰিছে প্ৰশাসনে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5838

আন্তঃৰাষ্ট্ৰীয়

## হিজাব নিপিন্ধাকৈ সংগীত পৰিৱেশন: ইৰাণৰ কণ্ঠশিল্পী পাৰাস্তো আহমাদীসহ পাঁচজনক ৭৪টাকৈ বেত্ৰাঘাত

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩৮



ইৰাণত হিজাব পৰিধান নকৰাকৈ সংগীতানুষ্ঠান পৰিৱেশন কৰাৰ অভিযোগত দেশখনৰ জনপ্ৰিয় কণ্ঠশিল্পী পাৰাস্তো আহমাদী আৰু তেওঁৰ দলৰ আন চাৰিজন সদস্যক ৭৪টাকৈ বেত্ৰাঘাতৰ শাস্তি বিহা হৈছে। অধিবক্তাসকলে সদৰী কৰা অনুসৰি এই শাস্তি ইতিমধ্যে কাৰ্যকৰী কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, যোৱা ডিচেম্বৰ মাহত পাৰাস্তো আহমাদীয়ে এটা সংগীতানুষ্ঠান পৰিৱেশন কৰিছিল আৰু উক্ত অনুষ্ঠানটো ইউটিউবত পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হৈছিল। অনুষ্ঠানটোত কণ্ঠশিল্পীগৰাকীয়ে হিজাব নিপিন্ধাৰ উপৰিও হাতবিহীন পোছাক পৰিধান কৰিছিল।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5876

অসম

## ITEP পাঠ্যক্ৰমৰ মাচুল সম্পূৰ্ণৰূপে বিনামূলীয়া কৰাৰ দাবী ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ

নাছিদুৰ ৰহমান | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৬



ITEPৰ অধীনৰ B.A. B.Ed., B.Com. B.Ed. আৰু B.Sc. B.Ed. পাঠ্যক্ৰমৰ মাচুল সম্পূৰ্ণৰূপে বিনামূলীয়া কৰাৰ দাবী জনাই কেন্দ্ৰীয় শিক্ষামন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান কৰিছে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5822

অসম

## চাকৰিৰ প্ৰলোভনেৰে ২১ লাখ টকা আত্মসাতৰ অভিযোগ: গ্ৰেপ্তাৰ অনুসূচিত জাতি যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি ৰুবুল দাস

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪২



গুৱাহাটী, ২৪ নৱেম্বৰ: চৰকাৰী চাকৰি দিয়াৰ প্ৰলোভনেৰে কেইবাগৰাকীও চাকৰি প্ৰত্যাশীৰ পৰা মুঠ ২১ লাখ টকা সংগ্ৰহ কৰাৰ অভিযোগত গ্ৰেপ্তাৰ হৈছে অনুসূচিত জাতি যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি ৰুবুল দাস। মীন বিভাগত চৰকাৰী চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দি ভুৱা নিযুক্তি-পত্ৰ প্ৰদান কৰাৰ অভিযোগত দিছপুৰ আৰু চানমাৰি আৰক্ষীয়ে যৌথ অভিযান চলাই বামুণীমৈদামৰ অমূল্য ৰেছিডেন্সিৰ এটা ফ্লেটৰ পৰা তেওঁক গ্ৰেপ্তাৰ কৰে।

আৰক্ষীৰ ওচৰত দাখিল কৰা এগৰাকী ভুক্তভোগীৰ এজাহাৰ অনুসৰি, মীন বিভাগত চৰকাৰী চাকৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে এজন যুৱকৰ পৰা ৰুবুল দাসে ১০ লাখ টকা সংগ্ৰহ কৰিছিল। ধন লাভ কৰাৰ পিছত যুৱকজনক এখন ভুৱা নিযুক্তি-পত্ৰ দিয়াৰো অভিযোগ উত্থাপন হয়। এই সন্দৰ্ভত দিছপুৰ থানাত গোচৰ ৰুজু হোৱাৰ পিছতে আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে।

তদন্তৰ সময়ত নগাঁৱৰ আন দুজন যুৱক জ্যোতি লস্কৰ আৰু কৃষ্ণমণি মেধিৰ নামো পোহৰলৈ আহিছে। অভিযোগ অনুসৰি, ২০২৫ চনত দুয়োগৰাকী যুৱকৰ পৰা নগদ ধন আৰু বেংক লেনদেনৰ জৰিয়তে পৃথকে ৫.৫ লাখ টকাকৈ সংগ্ৰহ কৰিছিল ৰুবুল দাসে। ইয়াৰ পিছত দুয়োগৰাকী যুৱকক হোৱাটছএপৰ জৰিয়তে ভুৱা নিযুক্তি-পত্ৰ প্ৰেৰণ কৰা হৈছিল বুলি জানিব পৰা গৈছে। এইদৰে তিনিগৰাকী চাকৰি প্ৰত্যাশীৰ পৰা মুঠ ২১ লাখ টকা সংগ্ৰহ কৰাৰ অভিযোগ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত চলাইছে।

গ্ৰেপ্তাৰৰ পিছত ৰুবুল দাসৰ বাসগৃহত আৰক্ষীয়ে চলোৱা তালাচীত কেইবাখনো সন্দেহজনক নথি-পত্ৰ, ছীল আৰু ষ্টাম্প উদ্ধাৰ হয়।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5834

অসম

## জুবিন গার্গৰ ৰেঞ্জ ৰ'ভাৰ বাহন ওভতাই দিব ক্রেতা সোণমইনা দাসে

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:০৯



২৪ নৱেম্বৰ, ২০২৬

জুবিন গার্গৰ ৰেঞ্জ ৰ'ভাৰ বাহন ওভতাই দিব ক্রেতা সোণমইনা দাসে। বাহনখনৰ মালিকীস্বত্ব বা কাগজ-পত্ৰ সম্পূৰ্ণৰূপে নিজৰ নামত নামজাৰি (Transfer) হোৱাৰ পাছতহে তেওঁ আনুষ্ঠানিকভাৱে বাহনখন ঘূৰাই দিব।

জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গার্গৰ ব্যৱহৃত ৰেঞ্জ ৰ'ভাৰ বাহনখন পুনৰ ওভতাই দিবলৈ সন্মত হৈছে ক্রেতা সোণমইনা দাস। শিল্পীগৰাকীৰ চাৰিজন ঘনিষ্ঠ বন্ধুৰ সৈতে হোৱা এক আলোচনাৰ পাছত তেওঁ এই সিদ্ধান্ত গ্ৰহণ কৰে।

জুবিন গার্গৰ ঘনিষ্ঠ বন্ধু পৱিত্ৰ ৰাভা, বংকিম ৰায় মেধি, মানস ভাগৱতী আৰু সৌমিক দত্তই মির্জাত সোণমইনা দাসক সাক্ষাৎ কৰে। তাত বাহনখনৰ ভৱিষ্যৎ আৰু সংৰক্ষণৰ সন্দর্ভত আলোচনা অনুষ্ঠিত হয়। ৰাইজৰ আৱেগক সন্মান জনাই বাহনখন অসমতে ৰাখিবলৈ আৰু ওভতাই দিবলৈ পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে সোণমইনা দাসে।

বন্ধুবৰ্গৰ পৰিকল্পনা অনুসৰি, কণ্ঠশিল্পীগৰাকীৰ এই ৰেঞ্জ ৰ'ভাৰ বাহনখন সোণাপুৰৰ কমৰকুছিত নির্মাণ হৈ থকা 'জুবিন ক্ষেত্ৰ'ত স্থায়ীভাৱে সংৰক্ষণ কৰা হ'ব। ইয়াৰ জৰিয়তে ভৱিষ্যত প্ৰজন্মই শিল্পীগৰাকীৰ স্মৃতি আৰু তেওঁৰ ব্যৱহৃত সামগ্ৰীসমূহৰ সৈতে পৰিচিত হোৱাৰ সুযোগ পাব বুলি বন্ধুবৰ্গই আশা প্ৰকাশ কৰিছে।

বৰ্তমান বাহনখনৰ পঞ্জীয়ন তথা যাৱতীয় নথিপত্ৰ সোণমইনা দাসৰ নামত সম্পূৰ্ণ হোৱা নাই। এই প্ৰয়োজনীয় আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত বাহনখন আনুষ্ঠানিকভাৱে ওভতাই অনা হ'ব। বাহনখনৰ বাবে হোৱা ধন ঘূৰাই দি আইনীভাৱে সকলো কাম সম্পন্ন কৰাৰ পৰিকল্পনা কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5792

অসম

## ২৬ নৱেম্বৰৰ পৰা ৰাজ্যজুৰি অনির্দিষ্টকালীন চকাবন্ধৰ হুংকাৰ মটৰ পৰিবহণ সন্থাৰ

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, আবেলি ৫:৫৩



২৪ নৱেম্বৰ, ২০২৬

অহা ২৬ নৱেম্বৰৰ পৰা ৰাজ্যজুৰি অনির্দিষ্টকাললৈ সকলো ধৰণৰ বাণিজ্যিক বাহনৰ চলাচল বন্ধ ৰখাৰ হুংকাৰ দিছে সদৌ অসম মটৰ পৰিবহণ সন্থাই। নিজৰ কেইবাটাও গুৰুত্বপূৰ্ণ দাবী পূৰণৰ বাবে সন্থাই ৰাজ্য চৰকাৰক ২৫ নৱেম্বৰলৈকে সময়সীমা বান্ধি দিছে। গোলাঘাটত অনুষ্ঠিত সংগঠনটোৰ এক জৰুৰী কার্যনির্বাহক সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

যোৱা ১৩ নৱেম্বৰত কাজিৰঙাৰ ৰঙাজানত সংঘটিত ভয়াৱহ পথ দুর্ঘটনাৰ পাছতে পৰিবহণ বিভাগে মটৰ যান আইন বলৱৎ কৰাৰ ক্ষেত্ৰত অধিক কঠোৰ স্থিতি গ্ৰহণ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5961

অসম

## শিলচৰত ৯ বছৰীয়া শিশুক যৌন নির্যাতনৰ অভিযোগত এজন গ্ৰেপ্তাৰ, নিলম্বিত দুই আৰক্ষী

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৮



শিলচৰ: কাছাৰ জিলাৰ শিলচৰত ৯ বছৰীয়া এগৰাকী শিশুক বাৰে বাৰে যৌন নির্যাতন চলোৱাৰ অভিযোগত ৩২ বছৰীয়া এজন ব্যক্তিক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5939

উত্তৰ-পূৰ্বাঞ্চল

## বিনামূলীয়া পাঠ্যপুথিৰ সলনি বেংক একাউণ্টত ধন! নতুন SSA নীতিক লৈ মেঘালয়ত বিতৰ্ক

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১৫



মেঘালয়ৰ চৰকাৰী বিদ্যালয়ৰ শিক্ষার্থীসকলক বিনামূলীয়া পাঠ্যপুথি যোগান ধৰাৰ পৰিৱর্তে বেংক একাউণ্টত ধন দিয়াৰ ব্যৱস্থাক লৈ বিভিন্ন মহলত প্রশ্ন উত্থাপন হৈছে। সমগ্র শিক্ষা অভিযানৰ অধীনত পাঠ্যপুথিৰ বাবে এই প্রত্যক্ষ লাভ হস্তান্তৰ বা ডিবিটি ব্যৱস্থা প্রৱর্তন কৰা হৈছে। এই নতুন নীতিয়ে ৰাজ্যখনৰ শিক্ষার্থী আৰু অভিভাৱকসকলৰ বাবে জটিলতাৰ সৃষ্টি কৰিব পাৰে বুলি আশংকা প্রকাশ পাইছে।

পূব খাচী পাহাৰ জিলাৰ সমগ্র শিক্ষা কর্তৃপক্ষই যোৱা ২৮ ছেপ্টেম্বৰত পাঠ্যপুথিৰ অনুদান কেৱল ডিবিটি ব্যৱস্থাৰে দিয়াৰ নির্দেশনা জাৰি কৰিছিল। সমগ্র ৰাজ্যতে কার্যকৰী কৰা এই ব্যৱস্থাৰ জৰিয়তে মেঘালয়ৰ ৫,১৯,৮১৬গৰাকী শিশুক সামৰি লোৱাৰ লক্ষ্য লোৱা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5849

অসম

## অসম আৰক্ষীত নতুন কমাণ্ডো বাহিনী!কার্যক্ষম হ'ল 'Smart Response Unit'

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৮



দেৱগাঁও: অসম আৰক্ষীৰ আধুনিকীকৰণৰ দিশত এক নতুন পদক্ষেপ গ্রহণ কৰি আনুষ্ঠানিকভাৱে কার্যক্ষম কৰা হৈছে বিশেষ কমাণ্ডো বাহিনী 'স্মার্ট ৱেছপন্স ইউনিট' (এছআৰইউ)।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5924

ৰাজনীতি

## উত্তৰ প্রদেশত আসন ভাগ-বতৰাক লৈ সমাজবাদী পার্টি আৰু কংগ্রেছৰ মিত্রতাত আউল, কংগ্রেছে লাগে ১৩১খন আসন এৰি দিছে মাত্র ২৬খন

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪০



উত্তৰ প্রদেশৰ ২০২৭ চনৰ বিধানসভা নির্বাচনৰ পূর্বে আসন ভাগ-বতৰাক লৈ সমাজবাদী পার্টি আৰু কংগ্রেছৰ মাজত আলোচনা অব্যাহত আছে। এই আলোচনাৰ অংশ হিচাপে সমাজবাদী পার্টিয়ে কংগ্রেছক ২৬খন বিধানসভা সমষ্টি এৰি দিয়াৰ প্রস্তাৱ আগবঢ়াইছে। বিপৰীতে কংগ্রেছে ১৩১খন আসন দাবী কৰিছে বুলি জানিব পৰা গৈছে।

সমাজবাদী পার্টিয়ে আগবঢ়োৱা ২৬খন আসনৰ তালিকাত ২০২২ চনৰ নির্বাচনত কংগ্রেছে জয়লাভ কৰা দুখন সমষ্টি আৰু দ্বিতীয় স্থানত থকা চাৰিখন সমষ্টি অন্তর্ভুক্ত কৰা হৈছে। ইয়াৰ উপৰি আন ২০খন সমষ্টিও এই প্রস্তাৱত ৰখা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5874

দেশ

## লাচিত দিৱসত মহাবীৰ লাচিত বৰফুকনক শ্রদ্ধাৰে স্মৰণ প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২০




লাচিত দিৱস উপলক্ষে মহাবীৰ লাচিত বৰফুকনক শ্রদ্ধাৰে স্মৰণ কৰে প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে। আহোম সেনাপতিগৰাকীৰ জন্মবার্ষিকী উপলক্ষে সামাজিক মাধ্যমযোগে প্রধানমন্ত্রীগৰাকীয়ে বীৰ সেনানীগৰাকীৰ অতুলনীয় সাহস, বীৰত্ব আৰু বলিষ্ঠ নেতৃত্বৰ ভূয়সী প্রশংসা কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5854

ব্যৱসায়-বাণিজ্য

## ২৬ বছৰৰ অন্তত পুনৰ ভাৰতীয় বজাৰলৈ উভতি আহিব জনপ্রিয় শীতল পানীয় Gold Spot

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, আবেলি ৬:০৮




প্রায় ২৬ বছৰৰ বিৰতিৰ অন্তত পুনৰ ভাৰতীয় বজাৰলৈ উভতি অহাৰ প্রস্তুতি চলিছে এসময়ৰ জনপ্রিয় শীতল পানীয় 'গোল্ড স্পট'ৰ। ২০০০ চনত বজাৰৰ পৰা আঁতৰাই দিয়া কমলাৰ সোৱাদযুক্ত এই পানীয়বিধ পুনৰ মুকলি কৰিবলৈ সাজু হৈছে ক'কা-ক'লা কর্তৃপক্ষ। অহা সপ্তাহৰ পৰাই পানীয়বিধ নতুন ৰূপত উপলব্ধ হোৱাৰ সম্ভাৱনা আছে।

এইবাৰ গোল্ড স্পট কম চেনি আৰু চেনিবিহীন সংস্কৰণত বজাৰলৈ অনাৰ পৰিকল্পনা হাতত লোৱা হৈছে। বর্তমান সময়ত স্বাস্থ্যসন্মত পানীয়ৰ প্রতি গ্রাহকৰ আগ্রহ বৃদ্ধি পোৱাৰ প্রতি লক্ষ্য ৰাখি এই পদক্ষেপ গ্রহণ কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5978

দেশ

## গ্রন্থত চাভাৰকাৰক বিকৃত ৰূপত দাঙি ধৰাৰ অভিযোগ: ছোনিয়া গান্ধীলৈ আইনী জাননী প্রেৰণ নাতি সাত্যকী চাভাৰকাৰৰ

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, পুৱা ১০:৪০



পুনে: স্বাধীনতা সংগ্রামী বিনায়ক দামোদৰ চাভাৰকাৰ সম্পর্কে নিজৰ আত্মজীৱনীত ভুৱা আৰু বিকৃত তথ্য দাঙি ধৰাৰ অভিযোগ তুলি জ্যেষ্ঠ কংগ্রেছ নেত্রী ছোনিয়া গান্ধীলৈ এক আইনী জাননী প্রেৰণ কৰা হৈছে। স্বাধীনতা সংগ্রামীগৰাকীৰ ভতিজাৰ পুত্র তথা নাতি সাত্যকী চাভাৰকাৰে অধিবক্তা সংগ্রাম কোলহাটকাৰৰ জৰিয়তে এই আইনী জাননী প্রেৰণ কৰি নিঃচর্ত ক্ষমা প্রার্থনা আৰু গ্রন্থখনৰ আপত্তিজনক অংশ সংশোধনৰ দাবী জনায়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5721

অসম

## কাজিৰঙাৰ পথ দুর্ঘটনাত নিহত ২৫ জনৰ পৰিয়াললৈ মুখ্যমন্ত্রীৰ ৫ লাখ টকাকৈ সাহায্য প্রদান

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৭



কাজিৰঙাৰ ভয়ংকৰ পথ দুর্ঘটনাত নিহত ২৫ জন লোকৰ পৰিয়াললৈ মুখ্যমন্ত্রীৰ সাহায্য পুঁজিৰ পৰা ৫ লাখ টকাকৈ আর্থিক সাহায্য প্রদান কৰিছে ৰাজ্য চৰকাৰে। মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই দুর্ঘটনাত প্রাণ হেৰুওৱা লোকসকলৰ প্রতিটো পৰিয়াললৈ এই সাহায্যৰ চেক প্রদান কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5957

অসম

## ভাৰত-ভূটান সীমান্তত বন্যহস্তীৰ আক্রমণত এজনৰ মৃত্যু

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৭



ওদালগুৰি, মঙলবাৰ: ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৰতী ডিমাকুছিত বনৰীয়া হাতীৰ আক্রমণত এজন লোকৰ কৰুণ মৃত্যু ঘটে। নিহত লোকজন ২নং বামুনজুলিৰ বাসিন্দা জিৎ বাহাদুৰ ছেত্রী (৬০) বুলি চিনাক্ত কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5888

ৰাজনীতি

## ৬ বছৰৰ পাছত পুনৰ বিজেপি আৰু শিৰোমণি আকালি দলৰ মিত্রতা, লক্ষ্য ২০২৭ চনৰ পঞ্জাব বিধানসভা নির্বাচন

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১৭



নতুন দিল্লী, ২৪ নৱেম্বৰ: প্রায় ৬ বছৰৰ বিচ্ছেদৰ অন্ত পেলাই পুনৰ মিত্রতা স্থাপন কৰিলে বিজেপি আৰু শিৰোমণি আকালি দলে। ২০২৭ চনৰ পঞ্জাব বিধানসভা নির্বাচনৰ পূর্বে দুয়োটা দলে একেলগে প্রতিদ্বন্দ্বিতা কৰাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে। মঙলবাৰে নতুন দিল্লীত আয়োজিত এক সংবাদমেলত কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহ আৰু শিৰোমণি আকালি দলৰ সভাপতি সুখবীৰ সিং বাদলে এই কথা জনায়।

ঘোষণা অনুসৰি, পঞ্জাব বিধানসভাৰ মুঠ ১১৭টা সমষ্টিতে দুয়োটা দলে মিত্রজোঁট হিচাপে নির্বাচনী যুঁজত অৱতীর্ণ হ'ব।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5826

ব্যৱসায়-বাণিজ্য

## পদত্যাগৰ ১১ দিনৰ পাছত পুনৰ NVIDIAৰ মুখ্য কার্যবাহী বিষয়াৰ দায়িত্বত জেনছেন হুৱাং

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, নিশা ১১:২৬



ছান্টা ক্লাৰা, ২৩ নৱেম্বৰ: বিশ্বৰ আগশাৰীৰ প্রযুক্তি প্রতিষ্ঠান এনভিডিয়াৰ নেতৃত্বলৈ পুনৰ উভতি আহিল প্রতিষ্ঠানটোৰ সহ-প্রতিষ্ঠাপক জেনছেন হুৱাং।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5703

দেশ

## ৰে'লৰ খাদ্যৰ তালিকাত সালসলনি! ৮-১০বিধৰ পৰিৱর্তে এতিয়া মাত্র ৪বিধ খাদ্য

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, আবেলি ৬:১১



ৰে'লযাত্রীৰ বাবে যোগান ধৰা খাদ্যৰ তালিকাত গুৰুত্বপূর্ণ সালসলনি আনিছে ভাৰতীয় ৰে'লৱেই। ১ নৱেম্বৰৰ পৰা তিনিখন বন্দে ভাৰত স্লীপাৰ ৰে'লত এই নতুন খাদ্য তালিকা কার্যকৰী কৰা হৈছে। পূর্বে প্রতিটো আহাৰত ৮ৰ পৰা ১০বিধ খাদ্য পৰিৱেশন কৰা হৈছিল যদিও এতিয়াৰে পৰা মাত্র ৪বিধ খাদ্যহে দিয়া হ'ব।

নতুন ব্যৱস্থাত খাদ্য তালিকাৰ পৰা ছুপ, চালাড, দৈ আৰু আচাৰৰ দৰে সামগ্রী আঁতৰোৱা হৈছে। খাদ্যৰ মান আৰু বিশুদ্ধতা বজাই ৰখাৰ লক্ষ্যৰে এই সিদ্ধান্ত গ্রহণ কৰা বুলি ভাৰতীয় ৰে'ল কেটাৰিং এণ্ড টুৰিজিম কর্প'ৰেশ্যন চমুকৈ আইআৰচিটিচিয়ে প্রকাশ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5981

দেশ

## চৰকাৰী কর্মচাৰীক গালি-গালাজৰ গোচৰত প্রাক্তন সাংসদ বনৰাৰী লাল কঞ্চলক ৩ বছৰৰ কাৰাদণ্ড

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, আবেলি ৫:৫৮



লক্ষ্ণৌ: উত্তৰ প্রদেশৰ লক্ষ্ণৌত ২৮ বছৰ পুৰণি এটা গোচৰত প্রাক্তন ৰাজ্যসভা সাংসদ তথা ব্যৱসায়ী নেতা বনৰাৰী লাল কঞ্চলক তিনি বছৰৰ কাৰাদণ্ড বিহিছে সাংসদ-বিধায়কৰ বিশেষ আদালতে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5970

অসম

## অসমত অপৰাধৰ হাৰ হ্ৰাস, দোষী সাব্যস্তৰ হাৰ ৩০ শতাংশ অতিক্ৰম: মুখ্যমন্ত্ৰী

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৪



দেৱগাঁও: অসমত অপৰাধৰ হাৰ লক্ষণীয়ভাৱে হ্ৰাস পোৱাৰ লগতে আদালতত দোষী সাব্যস্ত হোৱাৰ হাৰ ৩০ শতাংশ অতিক্ৰম কৰিছে। দেৱগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমীত অনুষ্ঠিত এক কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আৰক্ষীৰ এই পৰিসংখ্যা দাঙি ধৰে। দীৰ্ঘদিন ধৰি অসমত দোষী সাব্যস্ত হোৱাৰ হাৰ নিম্ন হৈ থকাৰ পৰিপ্ৰেক্ষিতত এই পৰিৱৰ্তনক বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হৈছে।

মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি, ২০২১ চনত ৰাজ্যখনত প্ৰতি এক লাখ জনসংখ্যাৰ বিপৰীতে অপৰাধৰ ঘটনা আছিল ৩৭৯টা। ২০২৬ চনৰ জুলাই মাহলৈ এই সংখ্যা ১১৬টালৈ হ্ৰাস পাইছে। একেদৰে ৰাজ্যত পঞ্জীয়ন হোৱা মুঠ গোচৰৰ সংখ্যা ১,৩৩,২৩৯টাৰ পৰা ২৫,০১৪টালৈ নামি আহিছে। গোচৰ পঞ্জীয়ন হ্ৰাস পোৱাৰ ফলত আৰক্ষীৰ তদন্তাধীন গোচৰৰ বোজাও যথেষ্ট কমিছে আৰু বৰ্তমান আৰক্ষীৰ হাতত এনে গোচৰৰ সংখ্যা হৈছে ১০,১৩৬টা।

মাদকদ্ৰব্যৰ বিৰুদ্ধে চলোৱা অভিযানৰ খতিয়ান দাঙি ধৰি চৰকাৰৰ তৰফৰ পৰা জনোৱা হৈছে যে ৰাজ্যজুৰি এতিয়ালৈকে ৩,২৭৩ কোটি টকাৰ নিচাজাতীয় সামগ্ৰী জব্দ কৰা হৈছে। এই সংক্ৰান্তত আৰক্ষীয়ে ২৬,৫৩৭জন লোকক গ্ৰেপ্তাৰ কৰিছে। ইয়াৰ সমান্তৰালকৈ চাইবাৰ অপৰাধ প্ৰতিৰোধৰ বাবেও আৰক্ষীৰ প্ৰযুক্তিগত সক্ষমতা বৃদ্ধি কৰা হৈছে।

বাল্যবিবাহ বিৰোধী পদক্ষেপ সন্দৰ্ভত প্ৰকাশ কৰা তথ্য মতে, ২০২৩-২৪ বৰ্ষত প্ৰায় ১০ হাজাৰ লোকক কৰায়ত্ত কৰা হৈছিল। শেহতীয়াকৈ অক্টোবৰ মাহত চলোৱা বিশেষ অভিযানত ৪৮১টা অভিযোগৰ ভিত্তিত ৫৬৫জন লোকক গ্ৰেপ্তাৰ কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5920

উত্তৰ-পূৰ্বাঞ্চল

## ত্ৰিপুৰাত দলবদ্ধ ধৰ্ষণৰ অভিযোগৰ পিছত অগ্নিদগ্ধ হৈ মহিলাৰ মৃত্যু, এজনক গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১৮



ত্ৰিপুৰাৰ দক্ষিণ জিলাত দলবদ্ধ ধৰ্ষণৰ বলি হোৱাৰ অভিযোগ উত্থাপন হোৱাৰ পিছত অগ্নিদগ্ধ হৈ চিকিৎসাধীন অৱস্থাত এগৰাকী মহিলাৰ মৃত্যু হৈছে। ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে ইতিমধ্যে এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীৰ জনোৱা মতে, যোৱা ৯ নৱেম্বৰত দুজন লোকে মহিলাগৰাকীক দলবদ্ধ ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপিত হৈছিল। এই ঘটনাৰ পিছদিনা অৰ্থাৎ ১০ নৱেম্বৰত মহিলাগৰাকীয়ে নিজৰ দেহত জুই লগাই দিয়ে। গুৰুতৰভাৱে অগ্নিদগ্ধ মহিলাগৰাকীক উন্নত চিকিৎসাৰ বাবে আগৰতলাৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। তাত চিকিৎসাধীন অৱস্থাতে দেওবাৰে মহিলাগৰাকীৰ মৃত্যু হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5851

দেশ

## দিলজিৎ দোছাঞ্জৰ সংগীতানুষ্ঠানত বোমা বিস্ফোৰণৰ ভাবুকি

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩১



বেংগালুৰু, ২৪ নৱেম্বৰ: জনপ্ৰিয় পাঞ্জাবী গায়ক দিলজিৎ দোছাঞ্জৰ আগন্তুক বেংগালুৰুৰ সংগীতানুষ্ঠানক লৈ তীব্ৰ নিৰাপত্তাজনিত উদ্বেগৰ সৃষ্টি হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5830

অসম

## নুমলীগড়ত ৭৫০ কোটি টকাৰ ঔদ্যোগিক প্ৰকল্পৰ আধাৰশিলা স্থাপন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শর্মাৰ

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, আবেলি ৬:০০



নুমলীগড়: নুমলীগড়ত আৰ এল জি গ্ৰুপৰ 'নুমলীগড় ইণ্ডাষ্ট্ৰিজ এলএলপি' নামৰ এটা বৃহৎ ঔদ্যোগিক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শর্মাই। প্ৰায় ৭৫০ কোটি টকাৰ বিনিয়োগেৰে নির্মাণ হ'বলগীয়া এই উদ্যোগটোত পেৰাচিটামলকে ধৰি ঔষধ উদ্যোগৰ বাবে প্ৰয়োজনীয় কেঁচা সামগ্ৰী উৎপাদন কৰা হ'ব।

আধাৰশিলা স্থাপন অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শর্মাই কয় যে এডভান্টেজ আছাম সম্মিলনত আৰ এল জি গ্ৰুপে দিয়া প্ৰতিশ্ৰুতি অনুসৰি দুটাৰ পৰা তিনিটা পর্যায়ত এই ৭৫০ কোটি টকা বিনিয়োগ কৰা হ'ব।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5974

অসম

## ৰেঞ্জ ৰ'ভাৰ বিক্ৰীক লৈ বিতর্ক: সামাজিক মাধ্যম ত্যাগৰ ঘোষণা জুবিন গার্গৰ ভগ্নী পামী বৰঠাকুৰৰ

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, আবেলি ৫:২১



প্ৰয়াত কণ্ঠশিল্পী জুবিন গার্গৰ ব্যৱহৃত ৰেঞ্জ ৰ'ভাৰ ভেলাৰ বাহনখন বিক্ৰীক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতর্কৰ মাজতে সামাজিক মাধ্যমৰ পৰা সাময়িকভাৱে আঁতৰি থকাৰ কথা ঘোষণা কৰিছে তেওঁৰ ভগ্নী ডাঃ পামী বৰঠাকুৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5945

আন্তঃৰাষ্ট্ৰীয়

## ১৬ ডিচেম্বৰত বাংলাদেশলৈ উভতি যোৱাৰ পৰিকল্পনা শেখ হাছিনাৰ

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০৮



নতুন দিল্লী, ২৪ নৱেম্বৰ: বাংলাদেশলৈ উভতি যোৱাৰ পৰিকল্পনা কৰিছে দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শেখ হাছিনাই। অহা ১৬ ডিচেম্বৰত বাংলাদেশৰ বিজয় দিৱসৰ দিনা দেশলৈ উভতি যাবলৈ বিচাৰিছে তেওঁ। দিল্লীৰ পৰা ঢাকালৈ উভতি যোৱাৰ বাবে বাংলাদেশৰ ৰাষ্ট্ৰীয় বিমান সংস্থা 'বিমান বাংলাদেশ এয়াৰলাইঞ্চ'-ৰ বিমানৰ ব্যৱস্থা কৰিবলৈও অনুৰোধ জনাইছে হাছিনাই।

হাছিনাৰ মুখপাত্ৰ ছৈয়দ মোজাম্মেল আলীয়ে জানিবলৈ দিয়া মতে, দিল্লীৰ পৰা ঢাকালৈ যোৱাৰ বাবে বাংলাদেশৰ চৰকাৰী বিমান সংস্থাৰ বিমান বিচাৰিছে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে। অৱশ্যে তেওঁৰ এই অনুৰোধত বাংলাদেশ চৰকাৰে সন্মতি প্ৰকাশ কৰিব নে নাই, সেয়া এতিয়াও স্পষ্ট হোৱা নাই।

২০২৪ চনৰ ৫ আগষ্টত বাংলাদেশত হোৱা চৰকাৰবিৰোধী গণ-আন্দোলনৰ মাজতে দেশ এৰিবলৈ বাধ্য হৈছিল শেখ হাছিনা। সেই দিনটোৰ কথা সুঁৱৰি তেওঁ দাবী কৰিছিল যে তেওঁ আৰু তেওঁৰ ভগ্নী শেখ ৰেহানাই মাত্ৰ ২০-২৫ মিনিটৰ ব্যৱধানত মৃত্যুৰ মুখৰ পৰা ৰক্ষা পৰিছিল। ২০২৫ চনৰ জানুৱাৰীত প্ৰকাশ পোৱা এটা অডিঅ'ত তেওঁ ২০০৪ চনৰ ২১ আগষ্টৰ গ্ৰেনেড আক্ৰমণ আৰু কোটালিপাৰাত সংঘটিত বোমা বিস্ফোৰণৰ কথাও উল্লেখ কৰিছিল।

২০২৪ চনৰ জুলাই মাহত চৰকাৰী চাকৰিৰ সংৰক্ষণ ব্যৱস্থাৰ বিৰুদ্ধে ছাত্ৰ আন্দোলন আৰম্ভ হৈছিল আৰু পৰৱর্তী সময়ত এই আন্দোলন চৰকাৰবিৰোধী গণ-আন্দোলনত পৰিণত হয়। ৫ আগষ্টত প্ৰতিবাদকাৰীসকলে ঢাকাৰ দিশে সমদল আৰম্ভ কৰাৰ পিছতে শেখ হাছিনাই ভগ্নীৰ সৈতে সামৰিক বিমানযোগে দেশ এৰি ভাৰতলৈ ৰাওনা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5818

অসম

## অসম আৰক্ষীত আনুষ্ঠানিকভাৱে অন্তর্ভুক্ত হ'ল ১,৬৬৫গৰাকী নতুন কেডেট

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৯



দেৱগাঁও: দেৱগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমীত প্রশিক্ষণ সফলতাৰে সম্পূর্ণ কৰি অসম আৰক্ষীত আনুষ্ঠানিকভাৱে যোগদান কৰিছে ১,৬৬৫গৰাকী নতুন কেডেটে। লাচিত দিৱস উপলক্ষে আয়োজিত দীক্ষান্ত পেৰেডত অংশগ্রহণ কৰি এই দলটোৱে আৰক্ষী বাহিনীত সেৱা আৰম্ভ কৰে।

নতুনকৈ সেৱাত যোগদান কৰা কেডেটসকলৰ ভিতৰত ১,১৮৯গৰাকী পুৰুষ আৰু ৪৭৬গৰাকী মহিলা আছে। একাডেমীখনৰ এইটো আছিল অষ্টমটো সমাৱর্তন। ২০২৫ চনৰ ২৯ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা এই প্রশিক্ষণ কার্যসূচীত উপ-পৰিদর্শক (যোগাযোগ) আৰু সশস্ত্রবিহীন শাখাৰ কনিষ্টবলসকলে অংশ লৈছিল।

লাচিত বৰফুকন আৰক্ষী একাডেমীত নিয়মীয়া আৰক্ষী কনিষ্টবলৰ উপৰিও কমাণ্ডো, বন আৰক্ষী, অনাতাঁৰ শাখাৰ জোৱান আৰু উপ-আৰক্ষী অধীক্ষক পর্যায়ৰ বিষয়াসকলকো ইতিমধ্যে প্রশিক্ষণ দিয়া হৈছে। ইয়াৰ পূর্বে গোৱা আৰু মণিপুৰ আৰক্ষীৰ জোৱানেও এই প্রতিষ্ঠানটোত প্রশিক্ষণ গ্রহণ কৰিছিল।

ৰাজ্য চৰকাৰে দেৱগাঁও আৰক্ষী একাডেমীখনক ৰাষ্ট্রীয় পর্যায়ৰ এক প্রশিক্ষণ কেন্দ্র হিচাপে গঢ়ি তোলাৰ লক্ষ্য নির্ধাৰণ কৰিছে। এই লক্ষ্যৰ অংশ হিচাপে অহা ডিচেম্বৰ মাহত ৰাষ্ট্রীয় নিৰাপত্তা সুৰক্ষা বাহিনী অর্থাৎ এনএছজিৰ এটা কমাণ্ডো দল বিশেষ প্রশিক্ষণৰ বাবে দেৱগাঁৱলৈ আহিব। ইয়াৰ উপৰি পৰৱর্তী পর্যায়ত কেন্দ্রীয় অর্ধসামৰিক বাহিনী আৰু চোৰাংচোৱা সংস্থাৰ প্রায় ৫ হাজাৰ জোৱানক এই একাডেমীত প্রশিক্ষণ প্রদানৰ পৰিকল্পনা হাতত লোৱা হৈছে।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5937

চাকৰি

## 'আগন্তুক ৫ বছৰত অসম আৰক্ষীত হ'ব ২০ হাজাৰ নতুন নিযুক্তি'- মুখ্যমন্ত্রী

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, আবেলি ৪:৩৭



২৪ নৱেম্বৰ, ২০২৬

আগন্তুক ৫ বছৰত অসম আৰক্ষীত হ'ব ২০ হাজাৰ নতুন নিযুক্তি' ।'অহা ১ ফেব্রুৱাৰীৰ পৰা অসম আৰক্ষীৰ ৫,৭৭৪টা পদৰ বাবে আৰম্ভ হ'ব নিযুক্তি প্রক্রিয়া'। 'শীঘ্রে মুকলি হ'ব অসম আৰক্ষীত নতুন পদৰ বিজ্ঞাপন, গঠন হ'ব নতুন বেটেলিয়নৰ'।

অহা পাঁচ বছৰত অসম আৰক্ষীত ২০ হাজাৰতকৈ অধিক নতুন নিযুক্তি প্রদান কৰা হ'ব বুলি ঘোষণা কৰিছে মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই। লাচিত বৰফুকন আৰক্ষী একাডেমীৰ দীক্ষান্ত সমাৰোহত অংশগ্রহণ কৰি ৰাজ্যৰ যুৱক-যুৱতীসকলৰ বাবে আৰক্ষী বিভাগত এই নতুন সুযোগ সৃষ্টিৰ কথা সদৰী কৰে মুখ্যমন্ত্রীগৰাকীয়ে।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5900

আন্তঃৰাষ্ট্রীয়

## বেলুচিস্তানত বিদ্রোহীৰ আক্রমণত ২০ পাকিস্তানী সেনা নিহত হোৱাৰ দাবী BLAৰ

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, আবেলি ৫:৫৪



পাকিস্তানৰ বেলুচিস্তানত পুনৰ সেনা-বিদ্রোহীৰ মাজত সংঘাত বৃদ্ধি পাইছে।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5965

দেশ

## বাহিৰতকৈ সনাতনৰ ভিতৰৰ পৰাহে বিপদ বেছি: একাংশ কথাকাৰক ৰামদেৱৰ সকীয়নি

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১৩



সনাতন ধৰ্মৰ প্ৰতি বাহিৰতকৈ ভিতৰৰ পৰাহে বিপদ বেছি বুলি মন্তব্য কৰিছে যোগগুৰু ৰামদেৱে। মঙলবাৰে সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে অৰ্ধশিক্ষিত আৰু আধৰুৱা জ্ঞান থকা একাংশ লোকে সনাতন সংস্কৃতিৰ নামত সমাজত বিভাজন আনিছে।

ৰামদেৱে স্পষ্টকৈ কয় যে সনাতন ধৰ্মৰ নাম লৈ সমাজত বিদ্বেষ আৰু উত্তেজনা বিয়পোৱা তথাকথিত একাংশ কথাকাৰ আৰু প্ৰবক্তাক তেওঁ সকীয়নি দিছে। দেৱ-দেৱী বা ভূত-প্ৰেতৰ নামত ধৰ্মীয়, সামাজিক আৰু ৰাজনৈতিক ভণ্ডামি চলোৱা লোকসকলৰ পৰা সনাতন ধৰ্মক মুক্ত কৰি ৰখাৰ প্ৰয়োজন বুলিও তেওঁ কয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5870

আন্তঃৰাষ্ট্ৰীয়

## নেপালত ৫.৩ প্ৰাবল্যৰ ভূমিকম্প: ছিকিম, উত্তৰ বংগ আৰু বিহাৰতো কম্পন অনুভূত

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:০৪



নতুন দিল্লী, ২৪ নৱেম্বৰ: মঙলবাৰে পুৱা নেপালত ৫.৩ প্ৰাবল্যৰ এক ভূমিকম্প সংঘটিত হয়। এই ভূমিকম্পৰ ফলত উত্তৰ বংগ আৰু ছিকিমৰ উপৰি বিহাৰৰো বিভিন্ন প্ৰান্তত কম্পন অনুভূত হয়।

নেচনেল চেণ্টাৰ ফৰ ছিচম'লজীৰ তথ্য অনুসৰি, পুৱা প্ৰায় ৭ বাজি ২ মিনিটত এই ভূমিকম্পটো সংঘটিত হয়। উত্তৰ বংগৰ শিলিগুৰি, মিৰিক আৰু দাৰ্জিলিঙত স্থানীয় ৰাইজে জোকাৰণি অনুভৱ কৰে। একেদৰে ছিকিমৰ গেংটক আৰু মাংগানতো ভূমিকম্পৰ কম্পন অনুভূত হয়।

ইয়াৰ উপৰি বিহাৰৰ কেইবাখনো জিলাত ভূমিকম্পৰ জোকাৰণি অনুভূত হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5795

অসম

## মেচিনৰ গামোচা নিদিব, পইচা লাগিলে মই দিম: বিষয়াক ধমক বিধায়ক দীপক কুমাৰ দাসৰ

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০০



চেঙা: চৰকাৰী অনুষ্ঠানত মেচিনত বোৱা গামোচাৰে সম্বৰ্ধনা জনোৱাক লৈ মঙলবাৰে চৰকাৰী বিষয়াক ৰাজহুৱাকৈ ককৰ্থনা কৰে বিধায়ক দীপক কুমাৰ দাসে। চেঙাত এটা ধান ক্ৰয় কেন্দ্ৰৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থকাৰ সময়তে এই ঘটনা ঘটে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5842

দেশ

## জেৱাৰ বিমানবন্দৰৰ নাম সলনি কৰি মোদীৰ নামত ৰখাক লৈ কংগ্ৰেছৰ সমালোচনা

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, পুৱা ১১:২৩



নতুন দিল্লী, ২৪ নৱেম্বৰ: উত্তৰ প্ৰদেশৰ জেৱাৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নাম প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নামেৰে নামকৰণ কৰা বিষয়টোক লৈ মঙলবাৰে কেন্দ্ৰীয় চৰকাৰক তীব্ৰ সমালোচনা কৰে কংগ্ৰেছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5757

উত্তৰ-পূর্বাঞ্চল

## উত্তৰ-পূর্বাঞ্চলত আকাশলংঘী বিমান ভাড়া: কেন্দ্রৰ জৰুৰী হস্তক্ষেপ বিচাৰি ত্রিপুৰাৰ সাংসদৰ পত্র

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৩



উত্তৰ-পূর্বাঞ্চলৰ বিমানৰ টিকটৰ মূল্য অত্যধিক হাৰত বৃদ্ধি পোৱাক লৈ কেন্দ্রীয় চৰকাৰৰ জৰুৰী হস্তক্ষেপ দাবী কৰিছে ত্রিপুৰাৰ ৰাজ্যসভাৰ সাংসদ ৰাজীব ভট্টাচার্যই। এই সমস্যাৰ সমাধান বিচাৰি সাংসদগৰাকীয়ে কেন্দ্রীয় অসামৰিক বিমান পৰিবহণ মন্ত্রীলৈ এখন পত্র প্রেৰণ কৰিছে। ২২ নৱেম্বৰত প্রেৰণ কৰা পত্রখনত সাংসদগৰাকীয়ে উল্লেখ কৰে যে উৎসৱ-পার্বণ, বন্ধৰ দিন আৰু যাত্রীৰ অত্যধিক ভিৰৰ সময়ত বিমান সংস্থাসমূহে টিকটৰ মূল্য অস্বাভাৱিকভাৱে বৃদ্ধি কৰে। যাৰ ফলত সাধাৰণ যাত্রীসকল তীব্র আর্থিক সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/5863

অসম

## পৃথক বড়োলেণ্ড ৰাজ্যৰ দাবী পুনৰ উত্থাপন বি জে এছ এমৰ, ২৫ নৱেম্বৰত দেৱৰগাঁৱত গুৰুত্বপূর্ণ বৈঠক

NewzNow ডেস্ক | ২৩ নৱেম্বৰ ২০২৬, নিশা ১১:৫৯



গুৱাহাটী, ২৩ নৱেম্বৰ: অসমত পৃথক বড়োলেণ্ড ৰাজ্য গঠনৰ দাবীক পুনৰ সক্রিয় কৰি তুলিছে বড়োলেণ্ড জনজাতি সুৰক্ষা মঞ্চই (বি জে এছ এম)। বিভিন্ন সংগঠন, বুদ্ধিজীৱী আৰু নিখিল বড়ো ছাত্র সন্থাৰ (আবছু) প্রাক্তন নেতাসকলৰ সৈতে আলোচনাত মিলিত হৈ পৰৱর্তী কার্যপন্থা নির্ধাৰণৰ প্রস্তুতি চলাইছে সংগঠনটোৱে। অহা ২৫ নৱেম্বৰত দেৱৰগাঁৱত অনুষ্ঠিত হ'বলগীয়া এখন গুৰুত্বপূর্ণ বৈঠকত পৃথক বড়োলেণ্ড ৰাজ্যৰ দাবীত গণতান্ত্রিক আৰু অহিংস আন্দোলন আৰম্ভ কৰাৰ কৌশল প্রস্তুত কৰাৰ সম্ভাৱনা আছে।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/5711

উত্তৰ-পূর্বাঞ্চল

## মণিপুৰলৈ অনা হ'ল ২৬টা উট: বিএছএফৰ প্রতিষ্ঠা দিৱসৰ প্রস্তুতিক লৈ ৰাইজৰ ব্যাপক কৌতূহল

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১৪



চুৰাচান্দপুৰ, ২৪ নৱেম্বৰ: মণিপুৰৰ চুৰাচান্দপুৰলৈ অনা ২৬টা উটক লৈ স্থানীয় বাসিন্দাৰ মাজত ব্যাপক কৌতূহল আৰু উৎসাহ পৰিলক্ষিত হৈছে। সীমান্ত সুৰক্ষা বাহিনী অর্থাৎ বিএছএফৰ এক বিশেষ অনুষ্ঠানৰ প্রস্তুতিৰ অংশ হিচাপে ৰাজস্থানৰ যোধপুৰৰ পৰা এই উটকেইটা মণিপুৰলৈ অনা হৈছে।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/5800

উত্তৰ-পূর্বাঞ্চল

## এবছৰৰ বিৰতিৰ অন্তত পুনৰ আৰম্ভ হ'ল ইম্ফল আৰু শিলচৰৰ মাজত পোনপটীয়া বিমান সেৱা

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, আবেলি ৫:২০




ইম্ফল, ২৪ নৱেম্বৰ: প্রায় এবছৰৰ বিৰতিৰ অন্তত পুনৰ আৰম্ভ হ'ল মণিপুৰৰ ইম্ফল আৰু অসমৰ শিলচৰৰ মাজৰ পোনপটীয়া বিমান সেৱা। মঙলবাৰে ইম্ফল আন্তঃৰাষ্ট্রীয় বিমানবন্দৰত এলায়েন্স এয়াৰৰ এই বিমান সেৱা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে মণিপুৰৰ মুখ্যমন্ত্রী য়ুমনাম খেমচান্দ সিঙে।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/5947

অসম

## লংকাৰ কাকী মার্কেটিংত লাচিত বৰফুকনৰ প্ৰতিমূৰ্ত্তিত বিধায়ক শিবু মিশ্ৰৰ শ্ৰদ্ধাঞ্জলি

মনোজ কুমাৰ পাঠক | ২৪ নৱেম্বৰ ২০২৬, আবেলি ৪:৫২



লাচিত দিৱস উপলক্ষে হোজাই জিলাৰ লংকাৰ কাকী মার্কেটিংত থকা লাচিত বৰফুকনৰ পূৰ্ণাংগ প্ৰতিমূৰ্ত্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

উক্ত অনুষ্ঠানত লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰ, জিলাখনৰ কেইবাজনো বিশিষ্ট ব্যক্তি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5906

## এই সংখ্যাত

১ 'যৌনতাই শ্ৰেষ্ঠ ব্যায়াম নহয় জানো ?'; অভিনেতা অক্ষয় কুমাৰে ক'ত আৰু কিয় কৰিলে এই মন্তব্য ?

১ ঈদৰ বন্ধৰ দিনাও অসমত মেট্ৰিক পৰীক্ষা! শিক্ষা পৰিষদৰ মেট্ৰিক পৰীক্ষাৰ সময়সূচীক লৈ বিতৰ্ক

১ তিনিচুকীয়াত অইল ইণ্ডিয়া লিমিটেডৰ সহযোগত স্থাপন হ'ব আইটিআই ক্লাষ্টাৰ

১ ভয়ংকৰ পথ দুৰ্ঘটনা! ৰৈ থকা স্কুল বাছত ট্ৰাকৰ খুন্দা, ৪ শিশুৰ মৃত্যু, আহত ৩২

১ ৫২টা বলত দ্বিশতক বৈভৱৰ! List A-ত দ্ৰুততম শতক-দ্বিশতকৰ অভিলেখ

২ হত্যা কৰিবলৈকে দেউতাৰ নিৰাপত্তা আঁতৰোৱা হৈছিল: ৰাজীৱ গান্ধীৰ মৃত্যুক লৈ ৰাহুল গান্ধীৰ বিস্ফোৰক অভিযোগ

২ কোকৰাঝাৰত নৈশভোজৰ মাজতে দুই জ্যেষ্ঠ আৰক্ষী বিষয়াৰ সংঘাত

২ বাংলাদেশত সন্ধান ওলাল নিৰুদ্দেশ BSF জোৱানৰ! জীৱন্তে উদ্ধাৰ BGBৰ

২ তেজপুৰ-বাইহাটা চাৰিলেন পথৰ অধিগ্ৰহণৰ ভূমিত নতুন নিৰ্মাণ নিষিদ্ধ, প্ৰশাসনৰ কঠোৰ নিৰ্দেশনা

৩ হিজাব নিপিন্ধাকৈ সংগীত পৰিৱেশন: ইৰাণৰ কণ্ঠশিল্পী পাৰাস্তো আহ্মাদীসহ পাঁচজনক ৭৪টাকৈ বেত্ৰাঘাত

আৰু ৩৬টা খবৰ ভিতৰৰ পাততে

**NewzNow ই-কাকত**: প্ৰতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্ৰতিটো খবৰৰ সম্পূৰ্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।
খবৰ শুনক: newznow.in/listen

উত্তৰ-পূৰ্বাঞ্চল

## মণিপুৰত নিষিদ্ধ ইউপিপিকেৰ স্বঘোষিত অধ্যক্ষক গ্ৰেপ্তাৰ, গুলীসহ পিষ্টল উদ্ধাৰ

NewzNow ডেস্ক | ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২১




ইম্ফল, ২৪ নৱেম্বৰ: মণিপুৰত নিষিদ্ধ ঘোষিত সংগঠন ইউনাইটেড পিপলছ পাৰ্টী অৰ কাংলেইপাক চমুকৈ ইউপিপিকেৰ স্বঘোষিত অধ্যক্ষক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ২৩ নৱেম্বৰত ইম্ফল পূব জিলাত চলোৱা এক ঘেৰাও আৰু তালাচী অভিযানৰ সময়ত তেওঁক কৰায়ত্ত কৰা হয়। পৰৱৰ্তী সময়ত চলোৱা আন এক অভিযানত এটা পিষ্টল, এটা মেগজিন আৰু ১৩ জাঁই সক্ৰিয় গুলী উদ্ধাৰ কৰা হয়।

আৰক্ষীৰ তথ্য অনুসৰি, মণিপুৰ আৰক্ষীৰ স্পেচিয়েল চিডিঅ' ইউনিটৰ এটা দলে কন্থৌজাম হোমেশ্বৰ সিং ওৰফে চিনখেই নামৰ ৬৬ বছৰীয়া লোকজনক তেওঁৰ বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰে।

বাকী অংশ ৰেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5858